# ৰ'দালি -the sunshine

বাৰ্ষিক বাৰ্তাপত্ৰ (News Letter)
Published by : Dept. of Assamese
Lumding College
Vol : I, December 2023

## LUMDING COLLEGE

www.lumdingcollegeg.org
Editor : Dr. Gitanjali Nath
Binita Bhuyan
Biswajit Nath






## শুভেচ্ছাবাণী ...



মই লামডিং কলেজত থকা কাৰ্যকালত অসমীয়া বিভাগৰ লগত সততে সম্পৰ্ক ৰক্ষা কৰি আহিছো। প্ৰশাসনিক কাম-কাজৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ বাবে বিভাগটোৱে গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীত উপদেশ তথা আৰ্থিক সাহায্যৰে সহায়-সহযোগিতা কৰিবলৈ পাই আনন্দিত হৈছিলোঁ। আজিও তাৰ ব্যতিক্ৰম নহয়। অসমীয়া বিভাগে 'ৰ'দালি-*the sunshine*' নামৰ এখন বাৰ্ষিক বাৰ্তাপত্ৰ প্ৰকাশ কৰিবলৈ কলেজত প্ৰথম পদক্ষেপ গ্ৰহণ কৰিছে। এই প্ৰচেষ্টাৰ্লৈ মোৰ আন্তৰিক সদিচ্ছা প্ৰকাশ কৰিছো। বিভাগটোৱে এনেদৰে ন ন দিশত আগুৱাই যাওক তাৰেই কামনাৰে ...

ড° মৃণাল কান্তি পাল
অধ্যক্ষ, লামডিং কলেজ

## শুভেচ্ছাবাণী ...

লামডিং কলেজৰ অসমীয়া বিভাগৰ দ্বাৰা এখনি 'ৰ'দালি-*the sunshine*' নামৰ বাৰ্তাপত্ৰ (News letter) প্ৰকাশ কৰিবলৈ বিচৰা কথাটোৱে সচাঁকৈয়ে মনত আনন্দ দিছে। ই নিশ্চিতভাৱে এক প্ৰশংসনীয় পদক্ষেপ। অসমীয়া বিভাগৰ কৰ্মৰ খতিয়ান, কৃতিত্বৰ বা-বাতৰি আদিক সামৰি লোৱা এই বাৰ্তাপত্ৰই অৱশ্যেই বিভাগটোক জিলিকাই ৰাখিবলৈ সক্ষম হ'ব। আশাকৰোঁ কলেজৰ অন্যান্য বিভাগসমূহেও অসমীয়া বিভাগৰ দৰে এনে পদক্ষেপ গ্ৰহণ কৰিব। সদৌ শেষত বিভাগটোৰ বাৰ্তাপত্ৰ 'ৰ'দালি-*the sunshine*'ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।



ড° সঞ্জয় কান্তি দাস
সমন্বয়ক, আভ্যন্তৰীণ মান নিৰূপণ কোষ,
লামডিং কলেজ

## শুভেচ্ছাবাণী ...



লামডিং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° গীতাঞ্জলি নাথ আৰু তেওঁৰ দুগৰাকী সহকৰ্মী বিনীতা ভূঞা আৰু বিশ্বজিৎ নাথে বিভাগটোৰ শৈক্ষিক দিশত উন্নতি সধাৰ লগে লগে পাঠ্যক্ৰম সহযোগী বিষয়তো উল্লেখনীয় কেতবোৰ কাম কৰিছে। ই নিশ্চয় প্ৰশংসনীয় কথা। এতিয়ালৈকে আঠ গৰাকী অধ্যাপক-অধ্যাপিকাই বিভাগটোৰ উন্নতি সাধনৰ ওপৰত গুৰুত্ব দিছিল। আমি ১৯৭৩ চনৰ নৱেম্বৰ মাহৰ পৰা প্ৰথমে অকলে পাছত দুগৰাকী সহকৰ্মী অধ্যাপিকা আৰাধনা দত্ত আৰু ড° বত্নকান্ত হাটীমতাৰ সহযোগত বিভাগটোক গঢ়ি তুলিবলৈ পাৰ্যমানে চেষ্টা কৰিছিলো। তেতিয়া অসমীয়া বিভাগত মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীহে আছিল। অসমীয়া প্ৰধান বিষয়ৰ ছাত্ৰ-ছাত্ৰী আঙুলিৰ মূৰত লিখিব পৰা অৱস্থাত আছিল। এতিয়াৰ সহকাৰী অধ্যাপিকা বিনীতা ভূঞাক অসমীয়াত Major ল'বলৈ হেঁচা দিছিলো। কৃতিত্বৰে তেওঁ উত্তীৰ্ণও হৈছিল। সেই কথা ভূঞাই যথাস্থানত উল্লেখ কৰিছে। আমি অৱসৰ লোৱাৰ আগেয়ে লোক সাহিত্য-সংস্কৃতি বিষয়ক এখন মনোজ্ঞ আলোচনা চক্ৰ আয়োজন কৰাৰ কথাও মনলৈ আহিছে। আমাৰ পাছত অধ্যাপিকা আৰাধনা দত্তই মুৰব্বী অধ্যাপক হিচাপে দায়িত্ব বহন কৰি কেতবোৰ লেখত-ল'বলগীয়া কাম কৰিছিল।

এতিয়া অসমীয়া বিভাগত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বঢ়াৰ লগে লগে Major লোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বাঢ়িছে। ড° নাথে বিদ্যায়তনিক দিশত গুৰুত্ব দিয়াৰ উপৰিও বিভাগটোকো আকৰ্ষণীয় কৰি তুলিছে। লগে লগে আলোচনা চক্ৰ, বিদ্বৎ লোকৰ দ্বাৰা বক্তৃতা প্ৰদান, শিক্ষামূলক ভ্ৰমণ আদিত মনোনিবেশ কৰিছে। তদুপৰি বছৰেকত দুবাৰ প্ৰাচীৰ পত্ৰিকা "অৰুনোদয়" উলিয়াইছে। এতিয়া 'ৰ'দালি-*the sunshine*' নামেৰে বাৰ্তাপত্ৰ (News letter) এখন উলিয়াবলৈ প্ৰয়াস কৰিছে। ইয়াত নিশ্চয় বিভাগটোৰ কাম-কাজৰ ইতিবৃত্ত প্ৰতিফলিত হ'ব। ড° নাথৰ উদ্দেশ্য সফল হওঁক। আশা কৰোঁ ৰ'দালিৰ চিক্‌মিক্‌নিয়ে বিভাগটোৰ লগতে ছাত্ৰ-ছাত্ৰী সকলকো উদ্ভাসিত কৰিব। এই কামনাৰে —

উপেন্দ্ৰ বৰকটকী
প্ৰাক্তন মুৰব্বী অধ্যাপক,
অসমীয়া বিভাগ, লামডিং কলেজ
১৫ নৱেম্বৰ ২০২৩




## শুভেচ্ছাবাণী ...

## এটি প্ৰশংসনীয় প্ৰয়াস

অবিভক্ত নগাওঁ জিলাৰ লামডিঙত অৱস্থিত সোণালী জয়ন্তী বৰ্ষ অতিক্ৰান্ত এখনি উচ্চ শিক্ষাৰ অনুষ্ঠান লামডিং কলেজত মই প্ৰায় চৌত্ৰিশ বছৰ কাল শিক্ষাদান কৰি তাৰ পৰাই অৱসৰ গ্ৰহণ কৰিছিলোঁ। কলেজখন এৰি অহা চৈধ্য বছৰ হ'ল যদিও এই শিক্ষানুষ্ঠানৰ যিকোনো গৌৰৱ গাঁথাই মোক এতিয়াও উৎফুল্লিত কৰে। অধ্যাপক, সুসাহিত্যিক উপেন্দ্ৰ বৰকটকী আৰু মোৰ আগ্ৰহ লগতে মহাবিদ্যালয় কৰ্তৃপক্ষৰ সদিচ্ছাত কেৱলমাত্ৰ প্ৰধান ভাৰতীয় ভাষা হিচাপেহে অসমীয়া বিষয়টো থকা কলেজখনত আশীৰ দশকৰ অন্তিম ফালে মেজৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল। ২০০৪ খ্ৰীষ্টাব্দত ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু পৰীক্ষণ পৰিষদৰ প্ৰথম পৰিদৰ্শনৰ সময়ত কলেজখনে বি গ্ৰেড পাইছিল আৰু অসমীয়া বিভাগে পাইছিল বোনাচ মূল্যাংক। ২০০২ বৰ্ষত মই উপাধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত বিভাগটোলৈ কিছু পৰিবৰ্তন আনিবলৈ প্ৰয়াস কৰিছিলো আৰু সহকৰ্মীসকলৰ সহযোগিতাত সেইয়া সম্ভৱপৰ হৈছিল। ছাত্ৰ-ছাত্ৰীৰ শিক্ষামূলক ভ্ৰমণৰ বাবে কাৰ্য্যসূচী আৰম্ভ কৰাৰ উপৰিও ক্ষুদ্ৰ সংগ্ৰাহলয় স্থাপন, বাৰ্ষিক আলোচনা চক্ৰ নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ লগতে লামডিংবাসী অসমীয়া ভিন্ন মাতৃভাষী জনসাধাৰণৰ মাজত অসমীয়া ভাষা-সংস্কৃতি চৰ্চাৰ পৰিমাণ নিৰ্ণয় সম্পৰ্কীয় এক জৰীপ তাৰেই সামান্য ফল। বৰ্তমান অসমীয়া বিভাগটো ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, পৰীক্ষাৰ ফলাফল আদিৰ দিশত পূৰ্বতকৈ বহু আগবাঢ়ি আহিছে বুলি অনুমান কৰি সুখ অনুভৱ কৰোঁ। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° গীতাঞ্জলি নাথ, আমাৰ প্ৰাক্তন ছাত্ৰী অধ্যাপিকা বিনীতা ভূঞা আৰু নৱাগত অধ্যাপক বিশ্বজিৎ নাথে 'ৰ'দালি-*the sunshine*' নামেৰে এখনি বাৰ্তাপত্ৰ (News letter) প্ৰকাশ কৰাৰ পদক্ষেপ লোৱা বুলি জানি মই অত্যন্ত আনন্দ লাভ কৰিছোঁ। আশা কৰিছোঁ প্ৰকাশিতব্য বাৰ্তাপত্ৰখনে বিভাগটোৰ ইতিবাচক কৰ্মৰাজিৰ খতিয়ান স্থায়ীৰূপত ধৰি ৰখাৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলকো সাহিত্য চৰ্চাৰ এখনি মঞ্চ প্ৰদান কৰিব।

আৰাধনা দত্ত
প্ৰাক্তন উপাধ্যক্ষ্য আৰু বিভাগীয় প্ৰধান,
লামডিং কলেজ
১৫/১১/২৩

## শুভেচ্ছা-'ৰ'দালি-*the sunshine*' লৈ




লামডিং মহাবিদ্যালয়ৰ অসমীয়া বিভাগে 'ৰ'দালি-*the sunshine*' নামৰ পত্ৰিকা এখনি প্ৰকাশ কৰিবলৈ যো-জা কৰিছে। 'ৰ'দালি এ ৰ'দ দে' শীৰ্ষক তাহানিতে শিশু কবিতা পঢ়িছিলোঁ। ৰ'দালিয়ে দিনটোৰ আশা আকাংক্ষা কঢ়িয়ায়। মানুহৰ, জীৱ-জগতৰ বাবে ৰ'দ প্ৰেমৰ প্ৰতীকো হ'ব পাৰে। কাৰণ জীৱনত পোহৰৰ প্ৰয়োজন। এন্ধাৰৰ কলীয়া ছাঁয়া মানুহে নিবিচাৰে, ভাল নেপায়। "ওঁ তমসো মা জ্যোতিৰ্গময়" — আমাক এন্ধাৰৰ পৰা পোহৰলৈ নিয়া। তমসা অৰ্থাৎ এন্ধাৰ কোনেও আশা নকৰে।

বাৰ্তা পত্ৰিকা (News letter) খনিয়ে বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্টিশীলতা বঢ়াই জ্ঞানৰ কৰ্ষণত ব্ৰতী কৰাব। 'শব্দ' ব্ৰহ্মাৰ সৃষ্টি। শব্দই জীৱন। মানুহৰ জীৱনটো সুখ-দুখ, হাঁহি আনন্দৰ শব্দৰ সমাহাৰ। এইবোৰ শব্দই গীত-কবিতাৰো মূল। শব্দ প্ৰকাশযোগ্য।। প্ৰকাশ বিচাৰি হাহাকাৰ কৰে। শিশুৰ অস্ফুট মাতকথাও তাৰেই প্ৰথম স্তৰ। তাৰ পিছত ক্ৰমে-ক্ৰমে শব্দই মানুহৰ মানসিক উৎকৰ্ষৰ পৰিচয় দিয়ে। এই কাৰণেই মানুহ শ্ৰেষ্ঠ। মানুহৰ নিৰৱছিন্ন ভাৱ-ভাষা, আবেগ-অনুভূতি সকলো শব্দৰে প্ৰকাশ ঘটে। শব্দই মানুহক মহান কৰে। কেতিয়াবা আকৌ শব্দই মানুহক ইতৰ প্ৰাণীৰ সমকক্ষ কৰে। অৰ্থাৎ শব্দ মানুহৰ সৃষ্টি।

'ৰ'দালি-*the sunshine*'লৈ শুভচ্ছোৰে।

ড° ৰত্নকান্ত হাটীমতা
প্ৰাক্তন মুৰব্বী অধ্যাপক
অসমীয়া বিভাগ, লামডিং কলেজ
১ ডিচেম্বৰ ২০২৩

## প্ৰজ্ঞা ঃ প্ৰতিভা



লামডিং কলেজৰ ছাত্ৰ বাসুপ্ৰসাদ শৰ্মাই নিজৰ প্ৰতিভাৰ বিকাশ ঘটাইছে ইউটিউবত ব্লগ নিৰ্মাণ কৰি। বৰ্তমান ছাত্ৰাৱস্থাতে তেওঁ এই কামৰ দ্বাৰা নিজৰ উপাৰ্জনৰ পথ মুকলি কৰিছে। তেওঁৰ দ্বাৰা নিৰ্মিত দুটামান ভিডিঅ' হৈছে ঃ


*Jorhat city [explore]
*Oil city of Assam -Digboi
*Kaziranga National park [tour] and explore
*Some beautiful places explor in Dima hasao, like maibang, halflong,tumjang peak
*I explored historical city of Assam -Shivsagar etc.

বহুতো গুৰুত্বপূৰ্ণ আৰু তথ্যসমৃদ্ধ বিষয়ক সামৰি অন্যান্য ভিডিঅ'সমূহ নিৰ্মাণ কৰিছে উক্ত ছাত্ৰ জনে।
His YouTube channel name is Devids Vlog

# উদ্‌যাপন ঃ আয়োজন

## শিল্পী দিৱস উদ্‌যাপন

ইংৰাজী ১৭-০১-২০২৩ তাৰিখে অসমীয়া বিভাগৰ দ্বাৰা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ স্মৃতিত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে গীতে-মাতে অনুষ্ঠানটি সজাই তোলে।







## শিক্ষামূলক ভ্ৰমণ

স্নাতকৰ গুৰু পাঠ্যক্ৰমৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভাগৰ অন্যান্য ছাত্ৰ-ছাত্ৰী সমূহকলৈ শিক্ষামূলক ভ্ৰমণৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান নগাওঁ জিলাৰ বৰদোৱালৈ ইংৰাজী ১০-০২-২০২৩ তাৰিখে যোৱা হয়।

## 'অৰুনোদয়'ৰ 'বিহু সংখ্যা' উন্মোচন

বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'অৰুনোদয়'ৰ 'বিহু' সংখ্যাটি ইংৰাজী ১২-০৪-২০২৩ তাৰিখে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি পৃথ্বিৰাজ দত্তৰ উপস্থিতিত ড° মৃণাল কান্তি পালে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত উন্মোচন কৰে।






## বিদায় সভা আয়োজন


ইংৰাজী ২৫-০৪-২০২৩ তাৰিখে অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আয়োজন কৰা বিদায় সভাৰ এখনি স্থিৰচিত্ৰ।

# উদ্‌যাপন ঃ আয়োজন

## শিক্ষক বিনিময় কাৰ্যক্ৰম

ইংৰাজী ২৫-০৪-২০২৩ তাৰিখে লঙ্কা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ৰঞ্জন দত্তই গুৰু পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলক "অসমীয়া গুৰু পাঠ্যক্ৰমৰ গুৰুত্ব" শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে।






## বিশেষ বক্তৃতানুষ্ঠানৰ আয়োজন

ইংৰাজী ২৮-০৪-২০২৩ তাৰিখে কলেজৰ অসমীয়া বিভাগ আৰু বাংলা বিভাগৰ উদ্যোগত "A Reflection of Contemporary period in Bengali and Assamese Literature" শীৰ্ষক বিশেষ বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ বাংলা বিভাগৰ অধ্যাপক ড° জ্যোতির্ময় সেনগুপ্ত আৰু ইংৰাজী বিভাগৰ অধ্যাপক ড° অভিজিৎ কুমাৰ দত্তই।

## বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন

ইংৰাজী ২০-৬-২০২৩ তাৰিখে লামডিং কলেজৰ প্ৰেক্ষাগৃহত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ পবিত্ৰ স্মৃতিত 'ৰাভা দিৱস' উদ্‌যাপন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে বক্তৃতা আৰু গীত-মাতেৰে অনুষ্ঠানটি সজাই তোলে।





## শিক্ষক দিৱস উদ্‌যাপন

ইংৰাজী ০৫-০৯-২০২৩ তাৰিখে অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে পবিত্ৰ শিক্ষক দিৱসৰ লগত সঙ্গতি ৰাখি এখনি শিক্ষক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে।

# উদ্‌যাপন ঃ আয়োজন

## বিশেষ বক্তৃতানুষ্ঠানৰ আয়োজন

ইংৰাজী ১০-১০-২০২৩ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° প্ৰফুল্ল কুমাৰ নাথে 'তুলনামূলক ভাৰতীয় সাহিত্য ঃ অসমীয়া, বাংলা আৰু হিন্দী সাহিত্যৰ বিশেষ উল্লিখনসহ' শীৰ্ষক বিশেষ বক্তৃতা প্ৰদান কৰে।




## সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন




ইংৰাজী ০৫-১১-২০২৩ তাৰিখে অসমীয়া বিভাগে কলেজৰ 'আভ্যন্তৰীণ মান নিৰূপণ কোষ' আৰু 'সাংস্কৃতিক ঐতিহ্য কোষ'ৰ সহযোগত ড° ভূপেন হাজৰিকা দেৱৰ স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰে। বক্তৃতা আৰু গীত-মাতেৰে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে ইয়াত অংশ গ্ৰহণ কৰে।

## বিভাগীয় আলোচনা চক্ৰৰ আয়োজন

ইংৰাজী ০৬-১১-২০২৩ তাৰিখে বিভাগৰ ছাত্ৰ-ছাত্ৰীক কেন্দ্ৰ কৰি 'অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস' শীৰ্ষক এখনি বিভাগীয় আলোচনা চক্ৰ আয়োজন কৰা হয়। বিভাগৰ সকলো ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অংশ গ্ৰহণ কৰে।



**প্ৰজ্ঞা ঃ প্ৰতিভা**

## বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ কৃতিত্ব ....



ইংৰাজী ২০২২-২৩ বৰ্ষৰ চূড়ান্ত পৰীক্ষাত গুৰু পাঠ্যক্ৰমৰ ছাত্ৰী মিছ্‌ চাহেবা বেগমে 7.68 চি জি পি এ সহ সুখ্যাতিৰে উত্তীৰ্ণ হয়।



মহাবিদ্যালয় সপ্তাহত আয়োজিত সাহিত্য শিতানত চুটিগল্প প্ৰতিযোগিতাত গুৰু পাঠ্যক্ৰমৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰী ৰূপালী দেৱীয়ে প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। তেওঁ সাহিত্য শিতানৰ ৰচনা প্ৰতিযোগিতাতো দ্বিতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।



লামডিং কলেজৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ দ্বাৰা আয়োজিত 'স্বৰচিত কবিতা প্ৰতিযোগিতা'ত গুৰু পাঠ্যক্ৰমৰ ছাত্ৰ বিনোদ ডেকাই তৃতীয় পুৰস্কাৰ লাভ কৰে।





লামডিং কলেজৰ সাংস্কৃতিক কোষে আয়োজন কৰা সপ্তাহ যোৰা (২১/০৩/২৩-২৬/০৩/২৩) বিহুনৃত্য কৰ্মশালাত অংশ গ্ৰহণ কৰা বিভাগৰ ছাত্ৰ-ছাত্ৰী সকল।

## অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী সকল ...



১। ড° পৰীক্ষিত হাজৰিকা
এম.এ., পি.এইচ.ডি.
১৯৬২-ৰ পৰা ...



২। সৰ্বেশ্বৰ বৰুৱা,
এম.এ.
০৫-০৮-১৯৭১-ৰ পৰা ১৪-০৮-১৯৭৩ লৈ



৩। উপেন্দ্ৰ বৰকটকী
এম.এ.
০১-১১-১৯৭৩-ৰ পৰা ৩০-১০-২০০৪ লৈ



৪। আৰাধনা দত্ত
এম.এ., এম.ফিল
০১-৯-১৯৭৫-ৰ পৰা ৩১-০৩-২০০৯ লৈ



৫। ড° ৰত্নকান্ত হাটীমতা
এম.এ., বি.টি., পি.এইচ.ডি.
১৭-১১-১৯৮৮-ৰ পৰা ৩১-১২-২০১৯ লৈ



৬। ড° গীতাঞ্জলি নাথ
এম.এ., নেট, পি.এইচ.ডি
০৩-১২-১৯৯৩-ৰ পৰা বৰ্ত্তমানলৈ



৭। বিনীতা ভূঞা
এম.এ., বি.এড, নেট
০৮-০৮-২০০৯-ৰ পৰা বৰ্ত্তমানলৈ



৮। বিশ্বজিৎ নাথ
এম.এ., নেট
২৪-০২-২০২১-ৰ পৰা বৰ্ত্তমানলৈ